**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগীক আজি প্ৰথম কিস্তি হিচাপে ৭৫ হাজাৰ টকাকৈ বিতৰণৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই প্ৰক্ৰিয়াত ৫১০ কোটি টকা ব্যয় হ'ব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যেৰে আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান উল্লেখনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীয়ে আজি আৰ্থিক সাহায্য লাভ কৰা প্ৰতিগৰাকী যুৱ উদ্যোগীক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে, ২০২১ চনৰ নিৰ্বাচনৰ পূৰ্বে চৰকাৰে এক লাখ চৰকাৰী চাকৰিৰ নিযুক্তি আৰু ২ লাখ যুৱ উদ্যোগীক আৰ্থিক উদগণি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। বিগত তিনিটা বছৰত দুয়োটা প্ৰতিশ্ৰুতি পূৰণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, যোৱা বছৰৰ ২৩ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে প্ৰাৰ্থীসকলে আবেদন কৰিব পৰাকৈ প'ৰ্টেল মুকলি কৰা হৈছিল। এই প'ৰ্টেলযোগে এক লাখ ৪ হাজাৰ ৫১ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। আজি প্ৰথম কিস্তি হিচাপে ২৫ গৰাকী যুৱক-যুৱতীক আৰ্থিক সাহায্য প্ৰদান কৰা হৈ বুলি উল্লেখ কৰি তেওঁ কয় যে, উচ্চ প্ৰশিক্ষিত ব্যক্তিৰ এটা গোটক মুখ্যমন্ত্ৰী ফেল' হিচাপে নিযুক্তি দিয়া হৈছে। এই গোটটোৱে যুৱ উদ্যোগীসকলক ব্যৱসায় চলাই নিয়াৰ বাবে দিহা পৰামৰ্শ প্ৰদান কৰিব। এই সন্দৰ্ভত সামগ্ৰিকভাৱে সহযোগিতা আগবঢ়াবলৈ এটা প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছিল বুলি তেওঁ কয়। আজিৰ অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্তৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

০০০০০০০

ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ২১ খন জিলাত ৩৯ খন সম-জিলা ঘোষণা কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই এখন জাননীৰ জৰিয়তে অহা ৪ অক্টোবৰৰ পৰা এই সম-জিলাসমূহ কাৰ্যকৰী হ'ব বুলি প্ৰকাশ কৰিছে। জাননী অনুসৰি ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু গোলকগঞ্জক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। বঙাইগাঁৱৰ অভয়াপুৰীক, কামৰূপ জিলাৰ ৰঙিয়াক, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহাক সমজিলা হিচাপে ঘোষণা কৰা হৈছে। একেদৰে বিশ্বনাথৰ গহপুৰ আৰু বিহালীক,

লখিমপুৰ জিলাৰ ঢকুৱাখানাক, ধেমাজিৰ জোনাইক সমজিলা হিচাপে স্বীকৃতি দিয়া হৈছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া সম-জিলা হ'ব। শিৱসাগৰৰ নাজিৰা আৰু ডিমৌক, যোৰহাটৰ তিতাবৰক সম-জিলাৰ মৰ্যাদা দিয়া হৈছে। গোলাঘাট জিলাৰ বোকাখাট, সৰুপথাৰ আৰু ডেৰগাঁওক সম-জিলা হিচাপে স্বীকৃতি দিয়া হৈছে। কাছাৰৰ লক্ষীপুৰ, গোৱালপাৰা জিলাৰ পশ্চিম গোৱালপাৰা সম-জিলা হ'ব। কামৰূপ মেট্ৰ'ৰ দিছপুৰ, নিউ-গুৱাহাটী আৰু ডিমৰীয়াক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। দৰং জিলাৰ ছিপাঝাৰ আৰু দলগাঁওক, মৰিগাঁও জিলাৰ জাগীৰোড আৰু লাহৰীঘাটক সম-জিলা হিচাপে ঘোষণা কৰা হৈছে। হোজাই জিলাৰ লামডিং, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নদুৱাৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে। ডিব্ৰুগড় জিলাৰ খোৱাং, দুলিয়াজান আৰু তিংখঙক সমজিলাৰ স্বীকৃতি দিয়া হৈছে। চৰাইদেউ জিলাৰ মাহমৰা আৰু কৰিমগঞ্জৰ পাথাৰকান্দি আৰু ৰামকৃষ্ণ নগৰক সমজিলা হিচাপে ঘোষণা কৰা হৈছে।

0000000

দেশজুৰি চলি থকা **স্বচ্ছতা হি সেৱা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰে। পৰিচ্ছন্নতাৰ বিষয়ত ছাত্ৰীসকলক সজাগ-সচেতন কৰি তোলাৰ লগতে নৱপ্ৰজন্মৰ মাজত আকাশবাণীৰ জনপ্ৰিয়তাক বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

0000000

বিশিষ্ট চলচ্চিত্ৰ অভিনেতা মিথুন চক্ৰৱৰ্তীক অহা মাহত হ'বলগীয়া ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে, কলকাতাৰ পদপথৰ পৰা চলচ্চিত্ৰ জগতৰ উচ্চ শিখৰলৈ অভিনেতাগৰাকীৰ উল্লেখনীয় যাত্ৰাই নৱ-প্ৰজন্মক অনুপ্ৰাণিত কৰে। তেওঁ লগতে কয় যে ভাৰতীয় চলচ্চিত্ৰ জগতলৈ তেওঁৰ অৱদানৰ বাবে ভাৰতীয় চলচ্চিত্ৰৰ এই সন্মানীয় বঁটা তেওঁলৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনেতা মিথুন চক্ৰৱৰ্তীক দাদা চাহেব ফাল্কে বঁটা পোৱাৰ বাবে অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰ জগতলৈ তেওঁৰ অদ্বিতীয় অৱদানৰ বাবে দাদা চাহেব ফাল্কে পুৰস্কাৰেৰে সন্মান জনোৱাৰ বাবে তেওঁ অতি আনন্দিত হৈছে। প্ৰধানমন্ত্ৰীয়ে অভিনেতাগৰাকীক সাংস্কৃতিক ক্ষেত্ৰৰ আদৰ্শ বুলি অভিহিত কৰি কয় যে নিজৰ বহুমুখী প্ৰতিভাৰ বাবে তেওঁ সকলো শ্ৰেণীৰ লোকৰ পৰা প্ৰশংসা লাভ কৰিছে।

0000000

সমগ্ৰ শিক্ষা অভিযান অসমৰ অধীনত বাক্সা জিলাৰ প্ৰতিখন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি অন্ত পৰে। মণ্ডল পৰ্যায়ত বিদ্যালয় পৰিচালনা সমিতিৰ ৫ গৰাকীকৈ সদস্যক প্ৰশিক্ষণ আগবঢ়োৱা হৈছে। তিনি দিনীয়াকৈ অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ অধীনত বিদ্যালয় পৰিচালনা সমিতিয়ে পালন কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্যসমূহৰ বিষয়ে আলোচনা কৰা হয়। প্ৰশিক্ষণত বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নৰ ধাৰা ত্বৰান্বিত কৰিবলৈ নিয়মীয়া পুনৰীক্ষণৰ দ্বাৰা সমন্বয় ৰক্ষা কৰা, ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষাজনিত বিষয়সমূহ পৰ্যৱেক্ষণ কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ সন্দৰ্ভত পুংখানুপুংখভাৱে বিশ্লেষণ কৰা হয়।

০০০০০০০

**সমাপ্ত**